জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৩
১৭ ছেপ্টেম্বৰ ২০২৬ ■ বৃহস্পতিবাৰ ■ ৩০ ভাদ, ১৯৪৮ শক

**ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ ডেৰ শতাধিক বিশিষ্ট ব্যক্তিৰ আহ্বান**

## নাগৰিকৰ অধিকাৰ ৰক্ষাৰ বাবে ২০ ছেপ্টেম্বৰত গুৱাহাটীত নাগৰিক অভিবৰ্তন

### ফ'ৰাম ফৰ ছ'চিয়েল হাৰমনীৰ উদ্যোগ




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ জনতাৰ নাগৰিক অধিকাৰ, ভূমি-জীৱিকা আৰু গণতান্ত্ৰিক অধিকাৰৰ ক্ৰমবৰ্দ্ধমান সংকটৰ পৰিপ্ৰেক্ষিতত এক ৰাজ্যব্যাপী গণতান্ত্ৰিক প্ৰতিৰোধৰ কেন্দ্ৰ গঢ়ি তোলাৰ লক্ষ্যৰে অহা ২০ছেপ্টেম্বৰত গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত এখন নাগৰিক অভিবৰ্তন অনুষ্ঠিত হ'ব। পুৱা ১০বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই অভিবৰ্তনখন ফ'ৰাম ফৰ ছ'চিয়েল হাৰমনীৰ উদ্যোগত আয়োজন কৰা হৈছে। লক্ষ্মীনাথ তামুলী, ড° আব্দুল মান্নান, মনোৰম গগৈ, সঞ্জয় কুমাৰ তাঁতী, মুনীন বায়ন, ড° পদ্মপাণি, নীলিম কুমাৰ, হিমাংশু প্ৰসাদ দাস, ড° ঘনশ্যাম নাথ, নীলিম দত্ত, ড° কমল কুমাৰ তাঁতী, মৃণাল কুমাৰ চৌধুৰী, শৰৎ নেওগ, পদ্মলোচন নাথ, মুবিনা আখতাৰ, শান্তনু বৰঠাকুৰ আদিকে ধৰি প্ৰায় ১৫০গৰাকী বিশিষ্ট নাগৰিক, সমাজকৰ্মী আৰু শ্ৰমিক-কৃষক, ছাত্ৰ-যুৱ সংগঠনৰ প্ৰতিনিধিয়ে এই অভিবৰ্তনৰ আহ্বান জনাইছে। আজি এই প্ৰসংগত গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত আহ্বায়কসকলৰ ফালৰ পৰা কোৱা হয় যে অসমত নাগৰিকত্ব আৰু নথি-পত্ৰৰ নামত অনিশ্চয়তা, উচ্ছেদ আৰু বুলড'জাৰ অভিযান, ভূমি অধিকাৰৰ সংকট, গণতান্ত্ৰিক প্ৰতিবাদৰ ওপৰত দমন, কৰ্মসংস্থাপনৰ অভাৱ, অসমৰ পৰা বাহিৰলৈ যোৱা প্ৰব্ৰজিত শ্ৰমিকৰ অনিশ্চিত জীৱন আৰু ভয়াৱহভাৱে পৰিৱেশ ধ্বংসৰ ফলত প্ৰলয়ংকৰী বান-খহনীয়া — এই সকলোবোৰ কাৰকে মিলি এক গভীৰ সামগ্ৰিক নাগৰিক অধিকাৰৰ সংকট সৃষ্টি কৰিছে। সংবাদ মেলখনত আহ্বায়ক সকলৰ হৈ হৰকুমাৰ গোস্বামী, ড° ঘনশ্যাম নাথ, দেৱজিত চৌধুৰী, অধ্যাপক তাইজুদ্দিন আহমেদ, প্ৰহ্লাদ দাস পাণিকা উপস্থিত থাকি সংবাদ মেলখন সম্বোধন কৰে। নাগৰিক অভিবৰ্তনৰ আহ্বায়কবৃন্দই স্পষ্টভাৱে দাবী কৰে—এন আৰ চি বা নাগৰিক পঞ্জীৰ উন্নীতকৰণ প্ৰক্ৰিয়াক পূৰ্ণতা নিদিয়াকৈ অনিৰ্দিষ্টকাললৈ ওলমাই ৰখা নচলিব। একে সময়তে, বিতৰ্কিত আৰু অসাংবিধানিক এছ আই আৰ অসমবাসীৰ ওপৰত জাপি দিয়াৰ যিকোনো অপচেষ্টা কোনো কাৰণতেই গ্ৰহণযোগ্য নহয়। লগতে বহু স্থানৰ মানুহক জোৰ-জুলুমকৈ উচ্ছেদ কৰাটো বন্ধ কৰি ভূমি অধিকাৰ আৰু পুনৰ সংস্থাপন নিশ্চিত কৰা, উজনি অসমৰ বানত ক্ষতিগ্ৰস্ত লোকক ক্ষতিপূৰণ আৰু পুনঃসংস্থাপন দিয়া, অসমৰ প্ৰাকৃতিক সম্পদৰ কৰ্প'ৰেট লুণ্ঠন বন্ধ কৰা আৰু কাজিৰঙাকে ধৰি সংবেদনশীল পৰিৱেশতন্ত্ৰ ধ্বংসৰ চেষ্টা ৰোধ কৰিবলৈ দাবী জনোৱা হৈছে। অভিবৰ্তনত এন আৰ চি-এছ আই আৰ আৰু নাগৰিকত্ব, উচ্ছেদ আৰু ভূমি অধিকাৰ, খাদ্য-বস্ত্ৰ-বাসস্থান আৰু জীৱিকাৰ অধিকাৰ, প্ৰব্ৰজিত শ্ৰমিকৰ অধিকাৰ, বান-খহনীয়া আৰু পৰিৱেশ, কৰ্মসংস্থাপন, শ্ৰমিক-কৃষকৰ অধিকাৰ, চৰকাৰী শিক্ষা আৰু ভাষিক অধিকাৰ, মত প্ৰকাশৰ স্বাধীনতা আৰু গণতান্ত্ৰিক প্ৰতিবাদৰ অধিকাৰ আদি বিষয়ত আলোচনা হ'ব। আহ্বায়কসকলে কয় যে এই সংকট কোনো এটা জনগোষ্ঠী, ধৰ্ম, ভাষা বা অঞ্চলৰ সংকট নহয়। নাগৰিক অধিকাৰ সংকুচিত হ'লে গণতন্ত্ৰই সংকুচিত হয়। সেয়ে জাতি, ধৰ্ম, ভাষা, বৰ্ণ আৰু অঞ্চলৰ বিভাজন অতিক্ৰম কৰি সকলো নাগৰিকৰ অধিকাৰ সুৰক্ষাৰ বাবে এক ঐক্যবদ্ধ গণতান্ত্ৰিক মঞ্চ গঢ়ি তোলাৰ প্ৰয়োজন। অভিবৰ্তনৰ মূল উদ্দেশ্য কেৱল সমস্যাসমূহ আলোচনা কৰা নহয়, অসমৰ বিভিন্ন প্ৰান্তৰ নাগৰিক আৰু গণতান্ত্ৰিক শক্তিক একত্ৰিত কৰি এখন ৰাজ্যব্যাপী যৌথ নাগৰিক মঞ্চ আৰু গণতান্ত্ৰিক প্ৰতিৰোধৰ কেন্দ্ৰ গঢ়ি তোলাৰ বাবে পৰৱৰ্তী কৰ্মপন্থাও নিৰ্ধাৰণ কৰা। উদ্যোক্তাসকলে অসমৰ সকলো গণতান্ত্ৰিক, সামাজিক, শ্ৰমিক-কৃষক সংগঠন আৰু সচেতন নাগৰিকক ২০ছেপ্টেম্বৰৰ নাগৰিক অভিবৰ্তনত অংশগ্ৰহণ কৰি নাগৰিক অধিকাৰ ৰক্ষাৰ ঐক্যবদ্ধ সংগ্ৰাম শক্তিশালী কৰাৰ আহ্বান জনাইছে।

## খটৰা সত্ৰত আজিৰ পৰা চাৰিদিনীয়াকৈ পালন লোক উৎসৱ পাচেতি

### দধিমথন কৃষ্টি প্ৰধান আকৰ্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বুঢ়া, ১৬ ছেপ্টেম্বৰ ঃ** লেচাকোণীয়া গোবিন্দ আতাৰ দ্বাৰা প্ৰতিষ্ঠিত ৪৫৮বছৰীয়া ইতিহাস সমৃদ্ধ দৰঙৰ অনন্য আৰু ব্যতিক্ৰমী ধৰ্মীয় ক্ষেত্ৰ খটৰা সত্ৰত কাইলৈৰ পৰা চাৰিদিনীয়া বৰ্ণময় কাৰ্যক্ৰমণিকাৰে পৰম্পৰাগত পাচেতি মহোৎসৱ আৰম্ভ হৈছে। ভাদ আৰু আহিন মাহৰ সংক্ৰান্তিত পালন কৰি অহা এই উৎসৱ মূলতঃ এক লোক উৎসৱ। এই উৎসৱৰ আটাইকেইটা দিনতে লোকে লোকাৰণ্য হয় সত্ৰখনৰ চৌহদ। কোনো সত্ৰাধিকাৰৰ ব্যৱস্থা নথকা অৰ্থাৎ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত সমিতিৰ দ্বাৰা পৰিচালিত খটৰা সত্ৰখনত সত্ৰৰ কাম কাজৰ লগতে বিভিন্ন উৎসৱ পাৰ্বণৰ কাৰ্যসূচী ৰূপায়িত হৈ আহিছে। বিশেষকৈ ধৰ্মীয় সাত্বিকতা আৰু আড়ম্বৰপূৰ্ণ মেলামুখিতাৰে অনুষ্ঠিত হৈ আহিছে এই পাচেতি উৎসৱ। পাচেতি কেৱল এটা ধৰ্মীয় অনুষ্ঠানেই নহয় ই অসমীয়া লোক সংস্কৃতি, সামাজিক সম্প্ৰতি আৰু পৰম্পৰাগত লোকবিশ্বাসৰ এক অপূৰ্ব মিশ্ৰণ। প্ৰতিবছৰে পালন কৰি অহা পাচেতি মহোৎসৱৰ কাৰ্যসূচীও যেন ক্ৰমাগতভাৱে জাকজমকতাৰে পূৰ্ণ হৈ আহিছে। উল্লেখ্য যে এইবেলি পাচেতি মহোৎসৱৰ উদ্‌যাপনৰ কাৰ্যসূচী মৰ্মে আছে কাইলৈ পুৱা ৯বজাত সমূহীয়া নাম প্ৰসংগ। ইয়াৰ পিছতে অসম দক্ষতা বিশ্ববিদ্যালয় মংগলদৈৰ উপ প্ৰকল্পৰ সঞ্চালক হিমালয় শৰ্মাই পানী পৰিশোধন প্ৰকল্প উদ্বোধন কৰিব। আবেলি ৫বজাত পাচেতি মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান। সাংসদ দিলীপ কুমাৰ শইকীয়াই উদ্বোধন কৰিবলগীয়া অনুষ্ঠানত মন্ত্ৰী নিলীমা দেৱী, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। নিশা ৯বজাত দধিমথন কৃষ্টি পৰিৱেশন। ১৮ছেপ্টেম্বৰত পুৱা ৫বজাত প্ৰাতঃ প্ৰসংগৰ পিছতে যান বাহন শান্তিকৰণ শুভাৰম্ভ, ধৰ্ম ধ্বজা উত্তোলন। দিনৰ ১১বজাত কৃষ্ণ নৃত্য প্ৰতিযোগিতা। ৰাষ্ট্ৰীয় শিল্পী বঁটা প্ৰাপক কুশল ডেকাই এই প্ৰতিযোগিতাৰ উদ্বোধন কৰিব। অনুষ্ঠানত উপস্থিত থাকিব জিলা আয়ুক্ত আয়ুসী জৈন, জিলা আৰক্ষী অধিক্ষক শৰ্মিষ্ঠা বৰুৱা। ১২বজাত দধিমথন কৃষ্টি পৰিৱেশন, নিশা ৮বজাত সাংস্কৃতিক বিচিত্ৰানুষ্ঠান। ১৯ছেপ্টেম্বৰৰ পুৱা ৫বজাত প্ৰাতঃ প্ৰসংগৰ পিছতে খটৰা সত্ৰ কৃষ্টি সংঘৰ পৰিচালনাত 'জুবিন দিৱস' উদ্‌যাপন। সন্ধিয়া জুবিন সংগীত সন্ধিয়া, শিল্পী সম্বৰ্ধনা। ২০ছেপ্টেম্বৰত অৰ্থাৎ অন্তিম দিনা পুৱা ৫বজাত প্ৰাতঃ প্ৰসংগ। ১১বজাত দিহানাম প্ৰতিযোগিতা আৰু সন্ধিয়া ৭বজাত সাংস্কৃতিক বিচিত্ৰানুষ্ঠান। সমূহ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে পাচেতি মহোৎসৱৰ উদ্‌যাপন সমিতি আৰু খটৰা সত্ৰৰ পৰিচালনা সমিতিৰ উদ্যোক্তামণ্ডলীয়ে।

## খাৰুপেটীয়াত প্ৰৱঞ্চনাৰে বিভিন্ন জনৰ পৰা লাখ লাখ টকা সংগ্ৰহ ফিনক্লাপৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দলগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঠগ প্ৰৱঞ্চকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে খাৰুপেটীয়াত ঠগ প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে, দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ১নং পুনিয়া গাঁৱত মহিদুল ইছলাম নামৰ এজন যুৱকে ফিনক্লাপ ফাইনেন্স নামৰ এখন বিত্তীয় প্ৰতিষ্ঠান খুলি বিভিন্ন লোকক প্ৰলোভন দি ঠগ প্ৰৱঞ্চনাৰে লাখ লাখ টকা সংগ্ৰহ কৰিছে। মহিদুল ইছলামে ফিনক্লাপ ফাইনেন্স নামৰ বিত্তীয় প্ৰতিষ্ঠান খনৰ মুখ্য কাৰ্যবাহী বিষয়া বুলি পৰিচয় দি ৰাজ্যৰ বিভিন্ন প্ৰান্তত এজেণ্ট নিয়োগ কৰি ঠগ প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। দৰঙৰ উপৰিও ওদালগুৰি, নলবাৰী, বিশ্বনাথ চাৰিআলি, কোকৰাঝাৰ আদি জিলাত শিক্ষিত নিবনুৱা যুৱক-যুৱতীক বিভিন্ন প্ৰলোভন দেখুৱাই ধন সংগ্ৰহ কৰিছে মহিদুল ইছলামে। উল্লেখ্য যে, শিক্ষিত নিবনুৱা যুৱক-যুৱতীক চাকৰি প্ৰদানৰ নামত, বেংকৰ শাখা প্ৰদানৰ নামত আৰু ফিনক্লাপ ফাইনেন্সৰ পৰা ঋণ প্ৰদানৰ নামত সংগ্ৰহ কৰিছে লাখ লাখ টকা। মহিদুল ইছলামৰ প্ৰৱঞ্চনাৰ বলি হোৱা ছফিকুল ইছলাম নামৰ এজন ভুক্তভোগীয়ে খাৰুপেটীয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰি সঠিক তদন্তৰ জৰিয়তে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও খাৰুপেটীয়াৰ নিমতলীত জাৰ্নি ফৰ মানি নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি বিভিন্ন ঠাইৰ শিক্ষিত নিৱনুৱা যুৱক-যুৱতীৰ পৰা ধন সংগ্ৰহ কৰি অন্তৰ্ধান হৈ কিছুদিন পিছত পুনৰ ১নং পুনিয়াত ফিনক্লাপ ফাইনেন্স নামৰ বিত্তীয় প্ৰতিষ্ঠান খুলি একে কাৰ্য চলাই থকাৰ অভিযোগ ৰাইজৰ মুখে মুখে।

**■ ডকাইতিৰ পৰিকল্পনাৰে আশ্ৰয় ■**

## দৰঙৰ শ্যামপুৰত অস্ত্ৰসহ ৫ ডকাইত গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, মঙলদৈ, ১৬ ছেপ্টেম্বৰ ঃ** ডকাইতিৰ লক্ষ্যৰে মঙলবাৰে নিশা দৰঙৰ ৩নং প্যামপুৰত খাপ পিতি থকা এটা দলক অস্ত্ৰ সহ গ্ৰেপ্তাৰ কৰিছে দৰং আৰক্ষীয়ে। আজি দৰঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱাই সদৰি কৰা অনুসৰি, এক বিশ্বস্ত সূত্ৰৰ পম খেদি যোৱা নিশা ৩নং শ্যামপুৰ চৰৰ হুছেইন আলিৰ পুত্ৰ আক্কেল আলিৰ ঘৰত তালাচী চলায়। এই তালাচীৰ সময়ত বলেৰো পিক্ আপ ভান সহ দুটাকৈ পিষ্টল, কিছু চোকা অস্ত্ৰ সহ ৫টা পাষণ্ড আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ডকাইত কেইটাক ক্ৰমে খাৰুপেটীয়া বৰঙাবাৰীৰ আব্দুল চামাদৰ পুত্ৰ শেইখ ফৰিদ, একে গাঁৱৰে আব্দুল কৰিমৰ পুত্ৰ আনছাৰ আলি, জাকিৰ হুছেইনৰ পুত্ৰ জাভেদ আলি, খাৰুপেটীয়া পূব চুবাৰ চহৰ আলিৰ পুত্ৰ হাচান আলি আৰু বাইগড়মাৰীৰ ফুলুৰুদ্দিনৰ পুত্ৰ শ্বেখ ফৰিদ বুলি চিনাক্ত কৰা হৈছে। কৰায়ত্ত কৰা পাঁচোটা ডকাইত সহ পিস্তল আৰু জব্দকৃত চোকা অস্ত্ৰ সহ নিশা শ্যামপুৰ থানালৈ লৈ অহা হয়। বিষয়টো সন্দৰ্ভত এটা সুকীয়া গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। দৰঙৰ ছিপাঝাৰ সমজিলাৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত দলগাওঁ আৰু শ্যামপুৰ থানাৰ দুই ভাৰপ্ৰাপ্ত বিষয়া সহ দুয়ো খন থানাৰ আৰক্ষীয়ে এই সফল অভিযান চলায়।

## মৰিয়নী-টীয়ক সমষ্টিত চৌদিশে বিধ্বস্ত বাট-পথ

### মেৰামতিৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰক-পত্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৬ ছেপ্টেম্বৰ ঃ** উন্নয়নৰ ফোঁপোলা স্বৰূপ ওলাই পৰিছে মৰিয়নী আৰু টীয়ক বিধানসভা সমষ্টিত। চৌদিশে বিধ্বস্ত বাট-পথে জুৰুলা কৰিছে ৰাইজক। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, টীয়ক আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত দত্ত আৰু সাধাৰণ সম্পাদক পাপু কলিতাৰ দ্বাৰা স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ টীয়ক ৰাজহ চক্ৰৰ চক্ৰ আয়ুক্তৰ জৰিয়তে যোৰহাটৰ জিলা আয়ুক্ত, মৰিয়নী আৰু টীয়কৰ সম-জিলা আয়ুক্ত, লোকনিৰ্মাণ বিভাগৰ যোৰহাটৰ কাৰ্যবাহী অভিযন্তাক প্ৰদান কৰিছে টীয়ক আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক ঋতম দত্তৰ উপস্থিতিত। উল্লেখযোগ্য যে, মৰিয়নী সম-জিলাৰ অন্তৰ্গত টীয়ক-মাজগাঁও-কাৰৈমাৰী-জাঁজীমুখ সংযোগী পথ, দক্ষিণ দুলীয়া গাঁও আৰু উত্তৰ দুলীয়া গাঁও সংযোগী পথ, টীয়ক-মিধাখাট-সোনাৰী গাঁৱৰ পথ, উত্তৰ দুলীয়া-ৰজাবাৰী পথ, বাদুলি পুখুৰী -ঢেকিয়ানি ভৰলুৱা আৰু টীয়ক সম জিলাৰ অন্তৰ্গত বাদুলীপুখুৰী-পীড়াকটা সংযোগী পথ আৰু বিগত তিনিবছৰৰো অধিক কাল ধৰি এই পথকেইটাৰ দুৰৱস্থাৰ বাবে ছাত্ৰ-ছাত্ৰী, ৰোগী, সাধাৰণ ৰাইজে যাতায়াতৰ বাবে ব্যাপক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত সম্পূৰ্ণ নীৰৱ ভূমিকা গ্ৰহণ কৰিছে মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে, ৰাইজৰ দাবীৰ প্ৰতি কোনো গুৰুত্ব নাই জনপ্ৰতিনিধিৰ। লগতে যুৱ-ছাত্ৰ পৰিষদ, টীয়ক আঞ্চলিক সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকে এক বিবৃত্তিৰ জৰিয়তে জনাই যে শীঘ্ৰে পথ কেইটা নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে প্ৰতিবাদী কাৰ্যসূচী ৰাইজৰ সহযোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। লগতে তেওঁলোকে এইটো অৱগত কৰে যে, নিৰ্বাচনৰ সময়ত বিভিন্ন সভাই সমিতিয়ে ডিঙিৰ শিৰ ফুলাই আভুৱা মাৰি ভাষণ প্ৰদান কৰি গাদী দখল কৰা বিধায়কৰ এনে মিথ্যাচাৰ সহ্য কৰা নহ'ব। ৰাইজে এইবোৰ কথা লক্ষ্য কৰি আহিছে অতদিনে। অন্যথা ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলন কৰিব বুলি সকীয়াই দিছে সংগঠনটোৰে।

## কচুৱাত প্ৰচণ্ড ধুমুহাত বিস্তৰ ক্ষতি সাধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কচুৱা, ১৬ ছেপ্টেম্বৰ ঃ** আজি দুপৰীয়া সময়ত নগাঁও জিলাৰ কচুৱাৰ বিভিন্ন প্ৰান্তত হোৱা প্ৰচণ্ড ধুমুহাত বিস্তৰ ক্ষতি সাধন হোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে কচুৱাৰ জুৰিৰপাৰত প্ৰচণ্ড ধুমুহাত বিদ্যুৎ তাঁৰ ছিগি নিয়াৰ ফলত ব্যাহত হৈ পৰিছে বিদ্যুৎ সেৱা। প্ৰচণ্ড ধুমুহাত জুৰিৰপাৰৰ লগতে বিভিন্ন ঠাইত ঘৰৰ টিনপাত, বেৰ উটুৱাই নিয়াৰ লগতে প্ৰকাণ্ড প্ৰকাণ্ড গছ উভালি পৰাৰ সমান্তৰালকৈ বহু গছ-গছনি ভাঙি বিস্তৰ ক্ষতিসাধন হয়। ধুমুহাৰ ফলত বিদ্যুৎ তাঁৰ ছিগি নিয়াত ৰাইজে যথেষ্ট সমস্যাত পৰিছে বুলি মন্তব্য কৰি অতি শীঘ্ৰেই বিদ্যুৎ তাঁৰ সংযোগ কৰি দিবলৈ বিদ্যুৎ বিভাগক আহ্বান জনাইছে স্থানীয় ৰাইজে।

**বদৰপুৰ ৰাণিং কক্ষত দৈনিক ৰক্ষণাবেক্ষণ**

ই-নিবিদা জাননী নং. এছআৰ.ডিইই/অ'পি/এলএমজি/০৪ অফ ২০২৬-২৭ তাৰিখঃ ১০-০৯-২০২৬। ভাৰতৰ ৰাষ্ট্ৰপতিৰ হকে আৰু তৰফৰ পৰা নিম্নলিখিত কামৰ বাবে "ই-টেণ্ডাৰিং" পদ্ধতিৰ জৰিয়তে কৰ্মৰ নিবিদা আহ্বান কৰা হৈছে: **নিবিদা নং. ইএল-এলএম-২৬-২৭-অ'পি-০৫। কামৰ নামঃ** বদৰপুৰ ৰাণিং কক্ষত ০৩ বছৰৰ এক সময়সীমাৰ বাবে (১০৯৫ দিন) পৰিস্কাৰকৰণ, আহাৰ বন্ধন/প্ৰস্তুতকৰণ আৰু বিতৰণ, বাগিছা ক্ষেত্ৰৰ উদ্যানপালন/সৌন্দৰ্যবৰ্ধন, লীনেনৰ প্ৰক্ষালন, বিতৰণ আৰু সংগ্ৰহ, কক্ষসমূহৰ পেড লকিং, পৰিচাৰক আৰু তত্বাবধায়কৰ উপলব্ধতাৰ কাৰ্য সহিত বদৰপুৰ ৰাণিং কক্ষৰ দৈনিক ৰক্ষণাবেক্ষণ। **নিবিদা মূল্যঃ** ৩,৫৩,৩১,০৩৩.৫৪/- টকা। **আমানত ধনঃ** ৩,২৬,৭০০/- টকা। **নিবিদা বন্ধ হোৱাৰ তাৰিখ আৰু সময়ঃ ০৫-১০-২০২৬** তাৰিখৰ **১১.০০** বজাত। উপৰোক্ত ই-নিবিদাৰ নিবিদা প্ৰ-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য **www.ireps.gov.in** ৱেবচাইটত উপলব্ধ থাকিব।

জ্যেষ্ঠ ডিইই/অ'পি/লামডিং
উত্তৰ পূব সীমান্ত ৰেলৱে
হাহিমুখে গ্ৰাহকলৈ সেৱা

ফৰ্ম নং ১৪
[নিয়ম ৩৩(২) চাওঁক]

**আদায় বিষয়াৰ কাৰ্যালয়-I/II**
**ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটী**
সুৱৰ্ণ ভৱন, ঘৰ নং ১২, নিউ টাউন পথ,
হনুমান মন্দিৰৰ ওচৰত, জি. এছ. ৰোড, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭ (অসম)

**দাবী জাননী**
**ঋণ আদায় আৰু দেউলীয়া আইন, ১৯৯৩ৰ ধাৰা ২৫ৰ পৰা ২৮ আৰু আয়কৰ আইন, ১৯৬১ৰ দ্বিতীয় সূচীৰ নিয়ম ২ৰ অধীনত জাননী।**
**আৰ চি / ৩৪৩ / ২০২৫**
**ইণ্ডিয়ান বেংক**
- বনাম -
**নৰ্থ ইষ্ট এণ্টাৰপ্ৰাইজ আৰু অন্যান্য**

প্ৰতি,
**(চি ডি ১) নৰ্থ ইষ্ট এণ্টাৰপ্ৰাইজ**
স্বত্বাধিকাৰী- মঃ ইছলাম উদ্দিন, ২ নং মুল্লাপট্টি, হয়বৰগাঁও, নগাঁও, অসম- ৭৮২০০২
**(চি ডি ২) মঃ ইছলাম উদ্দিন**
নৰ্থ ইষ্ট এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী, গাঁও- হাতীজুজুৱা, থানা- জাজোৰী, জিলা- নগাঁও, অসম- ৭৮২১২২
**(চি ডি ৩) মঃ ৰফিকুল হক**
পিতা- প্ৰয়াত আব্দুৰ ৰহমান, মণিপুৰটুপ, ৰহাৰ মুলংকটা গাঁও, জিলা- নগাঁও, অসম- ৭৮২১০৩

ইয়াৰ দ্বাৰা জনোৱা হয় যে **অ'এ/১৩/২০২৫**-ত প্ৰিছাইডিং অফিচাৰ, ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটীৰ আদেশ অনুসৰণ মৰ্মে জাৰি কৰা আদায় প্ৰমাণপত্ৰ মতে আপোনাৰ (একেলগে আৰু পৃথককৈ/সম্পূৰ্ণৰূপে/ সীমিত) **৮২,৩১,৩৫০.৬৬ টকা (বিয়াশী লাখ একত্ৰিছ হাজাৰ তিনিশ পঞ্চাছ টকা আৰু ছয়ষষ্ঠি পইচা মাত্ৰ)** লগতে **০১/১২/২০২৪** তাৰিখৰ পৰা আদায় হোৱালৈ প্ৰযোজ্য ১৫.৯০% চক্ৰবৃদ্ধি সুত মাহেকীয়া হাৰত পাবলগীয়া আৰু অতিৰিক্ত সুদ আৰু খৰচ **৮৫,০০৫/- টকা (পঁচাশী হাজাৰ পাঁচ টকা মাত্ৰ)** অনাদায় হৈ আছে।

| | |
|---|---|
| (১) আদায় প্ৰমাণ পত্ৰৰ মতে পাব লগা ধন | ৮২,৩১,৩৫০.৬৬ টকা |
| (২) ২৭/০২/২০২০-ৰ পৰা ১৯/০৩/২০২৬ লৈ ১৫.৯০% হাৰত সুদ | ১৮,৮৭,৪৩৮.৫৮ টকা |
| (৩) আদালতৰ মাচুল আৰু আইনী মাচুল | ১,১১,০৩৩.৯০ টকা |
| মুঠ | ১,০২,২৯,৮২৩.১৪ টকা |
| আদায় (-) | ০০.০০ টকা |
| | ১,০২,২৯,৮২৩.১৪ টকা |

২) ইয়াৰ দ্বাৰা আপোনাক এই কাকতত প্ৰকাশৰ প্ৰাপ্তিৰ ১৫ দিনৰ ভিতৰত ওপৰোক্ত ধনৰাশি পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল অন্যথা বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানক পৰিশোধ কৰিবলগীয়া ঋণ আদায় আইন, ১৯৯৩ আৰু ইয়াৰ অধীনৰ ব্যৱস্থাৱলী অনুযায়ী আপোনাৰ পৰা উক্ত ধনৰাশি আদায় কৰা হ'ব।
৩) আপোনাক পৰৱৰ্তী শুনানিৰ তাৰিখত বা তাৰ আগতে আপোনাৰ সম্পদসমূহৰ বিৱৰণ শপতনামাত ঘোষণা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।
৪) আপোনাক পৰৱৰ্তী প্ৰক্ৰিয়াৰ বাবে **৩০/১১/২০২৬** তাৰিখে **পুৱা ১০.৩০ বজাত** নিম্ন স্বাক্ষৰকাৰীৰ সন্মুখত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়া হ'ল।
৫) ওপৰোক্ত ধণৰাশিৰ উপৰিও, আপুনি পৰিশোধ কৰিবলৈ দায়বদ্ধ ঃ
(ক) প্ৰমাণপত্ৰৰ/কাৰ্যকৰীকৰণৰ প্ৰক্ৰিয়াৰ এই জাননীৰ ঠিক পিছতে আৰম্ভ হোৱা ম্যাদৰ বাবে পৰিশোধ কৰিবলগীয়া সুদ।
(খ) জাননী আৰু ৱাৰেণ্ট জাৰি কৰা আৰু অনাদায়কৃত ধনৰাশি আদায় কৰাৰ বাবে গ্ৰহণ কৰা অন্য প্ৰক্ৰিয়া আৰু ব্যৱস্থাত হোৱা সকলো মূল্য, ব্যয় আৰু খৰচ।
**০৭/০৯/২০২৬ তাৰিখে মোৰ হস্তাক্ষৰ আৰু এই ন্যায়াধিকৰণৰ মোহৰ প্ৰদান কৰা হ'ল।**

আদায় বিষয়া- II
ঋণ আদায় ন্যায়াধিকৰণ, গুৱাহাটী

যূকো বৈংক UCO BANK (भारत सरकार का उपक्रम) (A Govt. of India Undertaking)
**নগাঁও শাখা**
**ইউ.আৰ. ৰোড, মাৰৱাৰীপট্টি, ডাকঘৰ- নগাঁও, জিলা- নগাঁও, অসম- ৭৮২০০১, ইমেইল: nowgon@uco.bank.in**

**ইউকো/নগাঁও/ছাৰফেইছি/১৩(২)/২০২৬-২৭/৫৮** — **তাৰিখ: ০৪.০৮.২০২৬**

প্ৰতি,
**১. মেচাৰ্চ জে বি ষ্টোৰ**
জেছমিন নেহাৰ বেগম (স্বত্বাধিকাৰী), স্বামী- আব্দুল হাছিম চৰকাৰ, হয়বৰগাঁও, জিলা- নগাঁও, অসম- ৭৮২০০১
**২. জেছমিন নেহাৰ বেগম (ঋণগ্ৰহীতা)**
স্বামী- আব্দুল হাছিম চৰকাৰ, ধিং ৰোড, গাঁও- কাতিমাৰী পথাৰ (তানপাৰা), জিলা-নগাঁও, অসম- ৭৮২০০২

**বিষয়: বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ ধাৰা ১৩ (২)ৰ অধীনত জাননী (ইয়াত 'আইন' বুলি কোৱা হৈছে)**

অনুগ্ৰহ কৰি ধাৰা ১৩(২)-ৰ অধীনৰ আমাৰ পূৰ্বৰ জাননী, প্ৰসংগ নং **ইউকো/নগাঁও/ছাৰফেইছি/১৩(২)/২০২৫-২৬/** তাৰিখ ১১.০২.২০২৬, যিটো কিছু ভুল আৰু বাদ পৰাৰ বাবে বাতিল কৰা হৈছে।

মহাশয়,

তলত স্বাক্ষৰকাৰীসকলে বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ ধাৰা ১৩ (২)ৰ অধীনত ইউকো বেংকৰ অনুমোদিত বিষয়া হোৱাৰ বাবে ইয়াৰ দ্বাৰা আপোনাক তলত দিয়া জাননী জাৰি কৰিছে:

আপোনাৰ অনুৰোধত ইউকো বেংকে সময়ে সময়ে ইয়াৰ **নগাঁও শাখা (১৩৩৬)**ৰ জৰিয়তে বেংকৰ সপক্ষে প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰা বিভিন্ন সম্পত্তিৰ বিপৰীতে আৰ্থিক সাহায্যৰ জৰিয়তে বিভিন্ন ঋণৰ সুবিধা প্ৰদান কৰিছে। আপুনি ব্যৱহাৰ কৰা উক্ত ঋণ সুবিধাসমূহৰ প্ৰাসংগিক বিৱৰণ আৰু আপুনি নিষ্পাদন কৰা সুৰক্ষা চুক্তি(সমূহ)/নথিপত্ৰ(সমূহ) এই জাননীৰ সূচী 'এ' আৰু 'বি'ত ক্ৰমে অস্থাৱৰ সামগ্ৰীৰ বন্ধক বাদ দি উল্লেখ কৰা হৈছে। আপুনি উক্ত চুক্তি(সমূহ)/নথিপত্ৰ(সমূহ)ৰ ভিত্তিত উক্ত আৰ্থিক সাহায্যসমূহ পৰিশোধৰ বাবে এটা প্ৰতিশ্ৰুতিৰ সৈতে আৰ্থিক সাহায্য লাভ কৰিছে।

আপুনি ও টাইটেল ডিড/পঞ্জীয়নভুক্ত বন্ধক জমা কৰি বেংকৰ সপক্ষে প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰি বন্ধক সৃষ্টি কৰিছে। এনে বন্ধকীৰ সৈতে জড়িত নথি-পত্ৰসমূহ সূচী 'বি'ত উল্লেখ কৰা হৈছে।

সুৰক্ষিত সম্পত্তিৰ প্ৰাসংগিক বিৱৰণ বিশেষভাৱে সূচী 'চি'ত উল্লেখ কৰা হৈছে।

আপুনি সময়ে সময়ে বেলেঞ্চ আৰু পুনৰুজ্জীৱন পত্ৰ আৰু অন্যান্য, নথিপত্ৰৰ নিশ্চিতকৰণ কাৰ্যকৰী কৰি পূৰ্বতে উল্লেখ কৰা ঋণ সুবিধাসমূহৰ ক্ষেত্ৰত দায়বদ্ধতাৰ অস্তিত্বও স্বীকাৰ কৰিছে। ওপৰত উল্লেখ কৰা আৰ্থিক সাহায্য/ঋণ সুবিধাসমূহৰ পৰিচালনা অনিয়মিত হৈ পৰিছে আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা সম্পত্তি শ্ৰেণীবিভাজনৰ সম্পৰ্কীয় নিৰ্দেশনা/উপদেশ প্ৰণালী অনুসৰি ঋণক **৩০-০৯-২০২৫ (১৩৩৬০৫১০০০৯১৫৪)** আৰু **৩১-১২-২০২৫ (১৩৩৬০৬১০০৩০৯৮১)** তাৰিখে নন-পাৰফৰ্মিং সম্পত্তি হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে মূল ঋণ আৰু ইয়াৰ সুত পৰিশোধ কৰাত আপুনি কৰা ডিফল্টৰ ফলত।

উক্ত আৰ্থিক সাহায্য **জেছমিন নেহাৰ বেগমৰ**-ৰ ব্যক্তিগত নিশ্চয়তাৰ দ্বাৰাও সুৰক্ষিত কৰা হয়।

বাৰে বাৰে অনুৰোধ কৰাৰ পিছতো আপুনি উক্ত দেয়/বাকী থকা দায়বদ্ধতাসমূহ পৰিশোধ কৰাত ব্যৰ্থ আৰু অৱহেলা কৰিছে। গতিকে বেংকে ইয়াৰ দ্বাৰা আপোনাক বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ ধাৰা ১৩(২) অনুসৰি এই জাননী জাৰি কৰি ইয়াৰ অধীনত উল্লেখ কৰা আপোনাৰ দায়বদ্ধতাসমূহ এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত বেংকৰ ওচৰত সম্পূৰ্ণৰূপে নিষ্পত্তি কৰিবলৈ আহ্বান জনাইছে। বেংকৰ ওচৰত আপোনাৰ বাকী থকা দায়বদ্ধতা (সামগ্ৰিকভাৱে) আৰু পাবলগীয়া **একাউণ্ট নং ১৩৩৬০৬১০০৩০৯৮১** যাৰ ৰাশি **২১,৫০,৫৭০.২০ টকা (বিছ লাখ পঞ্চাছ হাজাৰ পাঁচশ সত্তৰ টকা আৰু বিছ পইচা মাত্ৰ) ২৯-০৬-২০২৬ তাৰিখলৈ সুত অন্তৰ্ভুক্ত আৰু একাউণ্ট নং ১৩৩৬০৫১০০০৯১৫৪**-ত যাৰ ৰাশি **২৮,০৯,০০৬.০০ টকা (আঁঠাইছ লাখ ন হাজাৰ ছয় টকা মাত্ৰ) ৩০-০৬-২০২৬ তাৰিখলৈ** সুত অন্তৰ্ভুক্ত। আনুষংগিক ব্যয়, খৰচ, চাৰ্জ আদিৰ সৈতে পূৰ্বতে উল্লেখ কৰা ধনৰ ওপৰত চুক্তিবদ্ধ হাৰত ভৱিষ্যতে সুতও দিব লাগিব।

যদি আপুনি বেংকক পূৰ্বতে উল্লেখ কৰা ধনৰাশি **৪৯,৫৯,৫৭৬.২০ টকা (উনপঞ্চাছ লাখ উন্নষাঠী হাজাৰ পাঁচশ ছয়সত্তৰ টকা আৰু বিছ পইচা মাত্ৰ) লগতে অধিক সুত আৰু আনুষংগিক ব্যয়, খৰচৰ সৈতে** ঘূৰাই নিদিয়ে, উক্ত আইনৰ ধাৰা ১৩(২) অনুসৰি এই জাননীৰ অধীনত ওপৰত উল্লেখ কৰা বেংকে উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৪)ৰ অধীনত আৰু অন্যান্য প্ৰযোজ্য বিধানৰ অধীনত সকলো আৰু যিকোনো অধিকাৰ ব্যৱহাৰ কৰিব।

আপোনাক এইটোও জাননীত ৰখা হৈছে যে ধাৰা ১৩ৰ উপ-ধাৰা ১৩ৰ অনুসৰি আপুনি বেংকৰ লিখিত সন্মতি লাভ নকৰাকৈ এই জাননীৰ সূচী 'চি'ত বিতংভাৱে উল্লেখ কৰা উক্ত সুৰক্ষিত সম্পত্তিসমূহ বিক্ৰী, পট্টা বা অন্য কোনো উপায়েৰে হস্তান্তৰ কৰিব নোৱাৰিব।

আপোনাৰ হৈ জাৰি কৰা আৰু প্ৰতিষ্ঠা কৰা বাকী থকা ৰেহাইপ্ৰাপ্ত বিল, বেংক নিশ্চয়তা আৰু ক্ৰেডিট পত্ৰৰ লগতে অন্যান্য আকস্মিক দায়বদ্ধতাৰ অধীনত উদ্ভৱ হ'ব পৰা দায়বদ্ধতাসমূহ পৰিশোধ কৰিবলৈ বেংকে আপোনাক আহ্বান জনোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

আপোনালোকৰ চাৰফেইচি (SARFAESI) আইনৰ ধাৰা ১৩ৰ উপধাৰা (৮)ৰ ব্যৱস্থাৰ প্ৰতি আমন্ত্ৰণ জনোৱা হৈছে য'ত আপুনি বেংকে কৰা সকলো খৰচ, চাৰ্জ আৰু ব্যয়ৰ সৈতে একেলগে বাকী থকা বাবদ ধনৰ সমগ্ৰ ধন কেৱল ৰাজহুৱা বা ব্যক্তিগত সন্ধিৰ দ্বাৰা উদ্ধৃতি, নিবিদা আমন্ত্ৰণ কৰি ৰাজহুৱা নিলামৰ দ্বাৰা (ই-নিলামকে ধৰি) সুৰক্ষিত সম্পত্তি(সমূহ) বিক্ৰীৰ বাবে জাননী প্ৰকাশৰ তাৰিখলৈকেহে নিবিদা কৰিব পাৰিব। লগতে মন কৰিব যে যদি উদ্ধৃতি আমন্ত্ৰণ জনাই, ৰাজহুৱা বা ব্যক্তিগত সন্ধিৰ পৰা নিবিদা, ই-নিলামকে ধৰি ৰাজহুৱা নিলামৰ দ্বাৰা সুৰক্ষিত সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰীৰ জাননী প্ৰকাশৰ পূৰ্বে বেংকে কৰা খৰচ, চাৰ্জ আৰু ব্যয়ৰ সৈতে একেলগে বাকী থকা বাবদ ধনৰ সম্পূৰ্ণ পৰিমাণ জমা কৰা নহয়, তেন্তে আপুনি সুৰক্ষিত সম্পত্তি(সমূহ) পুনৰুদ্ধাৰ কৰাৰ অধিকাৰী নহ'বও পাৰে।

আইনৰ অন্য কোনো প্ৰযোজ্য বিধানৰ অধীনত বেংকে প্ৰয়োজনীয় বুলি ভৱা অন্যান্য ব্যৱস্থা বা আইনী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ অধিকাৰক ক্ষতিগ্ৰস্ত নকৰাকৈ এই জাননী জাৰি কৰা হৈছে।

স্পষ্ট কৰা হৈছে যে জাননীখনৰ হিন্দী আৰু ইংৰাজী সংস্কৰণত কোনো ধৰণৰ বৈপৰীত্যৰ সৃষ্টি হ'লে জাননীখনৰ ইংৰাজী সংস্কৰণটোৰেই প্ৰাধান্য পাব।

**আপোনাৰ বিশ্বাসী**
**অনুমোদিত বিষয়া**

সূচী-'এ'

| ক্ৰ. নং. | সুবিধাৰ প্ৰকৃতি | ৩০.০৬.২০২৬ তাৰিখ মতে পাবলগীয়া ধন |
|---|---|---|
| এ) | কেচ ক্ৰেডিট | ২৮,০৯,০০৬.০০ টকা |
| বি) | টাৰ্ম লোন | ২১,৫০,৫৭০.২০ টকা |
| | সামগ্ৰিক পাবলগীয়া ধন | ৪৯,৫৯,৫৭৬.২০ টকা |

সূচী-'বি'
(বন্ধক সৃষ্টিৰ প্ৰমাণ দিয়া সকলো পৰিপূৰক নথিপত্ৰ আৰু নথিপত্ৰকে ধৰি সুৰক্ষা নথিপত্ৰৰ বিৱৰণ)

**সুবিধা ১:- একাউণ্টৰ নাম: মেচাৰ্চ জে বি ষ্টোৰ (একাউণ্ট নম্বৰ:- ১৩৩৬০৫১০০০৯১৫৪)**

| ক্ৰ. নং. | নথিপত্ৰৰ নাম | নিৰাপত্তাৰ প্ৰকৃতি | নিষ্পাদনৰ তাৰিখ | সুৰক্ষিত ধন (টকা) |
|---|---|---|---|---|
| ১ | এ-৪৭ | ৰেহাই পত্ৰ | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ২ | এ-১ | দাবী প্ৰতিশ্ৰুতি পত্ৰ | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ৩ | এ-৩ | ধাৰাবাহিকতাৰ পত্ৰ | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ৪ | এ-৯ | হাইপ'থেকেচনৰ দলিল | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ৫ | এ-৯বি | হাইপ'থেকেচনৰ দলিল | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ৬ | ইএমটিডি পেপাৰ | ইএমটিডি সৃষ্টি | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |
| ৭ | ইএমটিডি পেপাৰ | ইএমটিডি সৃষ্টি | ১৯.১২.২০২২ | ২৭,০০,০০০.০০ টকা |

**সুবিধা ২:- একাউণ্টৰ নাম: জেছমিন নেহাৰ বেগম (একাউণ্ট নম্বৰ:- ১৩৩৬০৬১০০৩০৯৮১)**

| ক্ৰ. নং. | নথিপত্ৰৰ নাম | নিৰাপত্তাৰ প্ৰকৃতি | নিষ্পাদনৰ তাৰিখ | সুৰক্ষিত ধন (টকা) |
|---|---|---|---|---|
| ১ | এ-৪৭ | ৰেহাই পত্ৰ | ০৭.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |
| ২ | এ-১ | দাবী প্ৰতিশ্ৰুতি পত্ৰ | ০৭.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |
| ৩ | এ এইচ এল- ৬ | হোম লোন চুক্তি | ০৭.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |
| ৪ | এ এইচ এল- ৭ | ঋণৰ নথিপত্ৰ | ০৭.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |
| ৫ | এ এইচ এল- ৮ | ঋণৰ নথিপত্ৰ | ০৭.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |
| ৬ | ইএমটিডি পেপাৰ | ইএমটিডি এক্সটেনচন | ০৮.০৩.২০২৪ | ২২,০০,০০০.০০ টকা |

সূচী- 'চি'
অংশ-I
গাঁও- কাতিমাৰী পথাৰ, মৌজা- কাছমাৰী, জিলা- নগাঁও, অসমত অৱস্থিত দাগ নং ৪২৪৬ আৰু পেৰিয়ডীক পট্টা নং ১১৭-ৰ অধীনৰ ০০বি-০২কে-০০এল পৰিমাপৰ ভূমি। সম্পত্তিটো **আব্দুল হাছিম চৰকাৰৰ পত্নী জেচমিন নেহাৰ বেগমৰ** নামত আছে আৰু ইয়াৰ চাৰিসীমা।
**চাৰিসীমা:- উত্তৰে:** ৰতীন্দ্ৰ কলিতাৰ ভূমি, **দক্ষিণে:** গৰুবাট, **পূৰ্বে:** আবু বক্কৰ ছিদ্দিকৰ ভূমি, **পশ্চিমে:** জিয়াদুল ইসলামৰ ভূমি।

Chola Enter a better life
**চোলামণ্ডলম ইনভেষ্টমেণ্ট এণ্ড ফাইনেন্স কোম্পানী লিমিটেড**
কৰ্প'ৰেট কাৰ্যালয় ঃ চোলা ক্ৰেষ্ট, ছুপাৰ বি, চি৫৪ আৰু চি৫৫,৪, তিৰু ভি কা, ইণ্ডাষ্ট্ৰিয়েল এষ্টেট, গুইণ্ডি, চেন্নাই— ৬০০ ০৩২।

**পৰিশিষ্ট IV (৮ (১) নিয়ম চাওক) দখল জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু নিম্নস্বাক্ষৰকাৰী **মেছাৰ্চ চোলামণ্ডলম ইনভেষ্টমেণ্ট এণ্ড ফাইনেন্স কোম্পানী লিমিটেডৰ** কৰ্তৃত্বপ্ৰাপ্ত বিষয়া হোৱাৰ হেতু, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অব্ ফাইনেন্সিয়েল এচেটছ এণ্ড এনফৰ্চমেণ্ট অব্ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২ (২০০২ৰ ৫৪) অনুসৰি আৰু ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২ৰ ৯ নিয়মৰ সৈতে পঠিত ১৩(১২) ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি, উক্ত আইনৰ ১৩(২) ধাৰাৰ অধীনত তলত উল্লেখ কৰা তাৰিখত দাবী জাননী জাৰি কৰি ঋণ লওঁতাসকলক (তলত নাম আৰু ঠিকনা উল্লেখ কৰা হৈছে) উক্ত জাননীখন পোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত জাননীত উল্লেখিত ধন আৰু তাৰ ওপৰত হোৱা সুত পৰিশোধ কৰিবলৈ আহ্বান জনাইছিল।

তলত উল্লেখিত ঋণ লওঁতাসকলে ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ হেতুকে, তলত উল্লেখিত ঋণ লওঁতাসকলক আৰু সাধাৰণ জনসাধাৰণক ইয়াৰ দ্বাৰা জাননী প্ৰদান কৰা হ'ল যে নিম্নস্বাক্ষৰকাৰীয়ে ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২ৰ ৮ নিয়মৰ সৈতে পঠিত উক্ত আইনৰ ১৩ ধাৰাৰ উপ-ধাৰা (৪)ৰ অধীনত তেওঁক প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি তলত বৰ্ণনা কৰা সম্পত্তিৰ দখল লৈছে।

বিশেষকৈ ওপৰত উল্লেখিত ঋণ লওঁতাসকলক আৰু সাধাৰণ জনসাধাৰণক ইয়াৰ দ্বাৰা উক্ত সম্পত্তিৰ লেনদেন নকৰিবলৈ সতৰ্ক কৰি দিয়া হৈছে আৰু সম্পত্তিটোৰ যিকোনো লেনদেন তলত উল্লেখিত ধন আৰু তাৰ ওপৰত হোৱা সুতৰ বাবে মেচাৰ্চ চোলামণ্ডলম ইনভেষ্টমেণ্ট এণ্ড ফাইনেন্স কোম্পানী লিমিটেডৰ মাচুলৰ অধীন হ'ব।

সুৰক্ষিত সম্পত্তি উদ্ধাৰৰ বাবে উপলব্ধ সময়ৰ সন্দৰ্ভত উক্ত আইনৰ ১৩ ধাৰাৰ উপ-ধাৰা (৮)ৰ বিধানসমূহৰ প্ৰতি ঋণ লওঁতাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

| ক্ৰ. নং | ঋণ একাউণ্ট নং আৰু ঋণ লওঁতা / সহ-ঋণ লওঁতাৰ নাম আৰু ঠিকনা | দাবী জাননীৰ তাৰিখ | অনাদায় ধনৰ পৰিমাণ | স্থাৱৰ সম্পত্তিৰ বিৱৰণ | দখলৰ তাৰিখ |
|---|---|---|---|---|---|
| ১. | ঋণ একাউণ্ট নং **LAP3GUW000111898** **শ্ৰী/শ্ৰীমতী শ্বহিদুল ইছলাম** **শ্ৰী/শ্ৰীমতী বিবি হানি** **উভয়ৰে ঠিকনা ঃ** মাৰফৎ ঃ আব্দুল বাৰেক, মৈৰাবাৰী গাঁও, মৰিগাঁও, অসম ৭৮২১২৬, কলেজ ৰোডৰ সমীপত, মৰিগাঁও, অসম- ৭৮২১২৬ **উভয়ৰে আন এটা ঠিকনা ঃ** দাগ নং ৪৯৬, পট্টা নং ৬৭, কলেজ ৰোড, মৈৰাবাৰী, মৰিগাঁও, স্ব-নিৰ্মিত, মৈৰাবাৰী, লাহৰীঘাট চক্ৰ, মৰিগাঁও, অসম, ৭৮২১২৬ | ০৯-০৭-২০২৬ | **২০,২০,৫৪১/- টকা** (কেৱল বিশ লাখ বিশ হাজাৰ পাঁচশ একচল্লিশ টকা) ০৯-০৭-২০২৬ তাৰিখলৈকে আৰু তাৰ ওপৰত হোৱা সুত। | অসম ৰাজ্যৰ মৰিগাঁও জিলাৰ অন্তৰ্গত লাহৰীঘাট ৰাজহ চক্ৰৰ মৈৰাবাৰী মৌজাৰ মৈৰাবাৰী গাঁৱত অৱস্থিত কে.পি. পট্টা নং ৬৭ ৰ দাগ নং ৪৯৬ ৰ অন্তৰ্গত ০১ (এক) কঠা ১০ (দহ) লেচা (৪.২০ আৰ) জোখৰ মাটি আৰু তাত থকা এটা অসম আৰ্হিৰ আৱাসিক গৃহসহ সম্পূৰ্ণ ভূমিখণ্ড। সম্পত্তিটো ০৭/১১/২০২৩ তাৰিখৰ পঞ্জীকৃত বিক্ৰী দলিল নং ৫৩৬৭ ক্ৰমিক নং ৫৭৭৬ যোগে শ্বহিদুল ইছলামৰ নামত আছে আৰু ভূমিখণ্ডৰ চাৰিসীমা হ'ল ঃ **পূবে ঃ**-আতাবুৰ ৰহমান চৌধুৰী, **পশ্চিমে ঃ**-চৰকাৰী পথ, **উত্তৰে ঃ**-আবু বক্কৰ ছিদ্দিক চৌধুৰী, **দক্ষিণে ঃ**-ইছমাইল হুছেইন | দখলৰ তাৰিখ ঃ ১৪-০৯-২০২৬ |

**তাৰিখ ঃ ১৪-০৯-২০২৬**
**স্থান ঃ মৰিগাঁও**
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
চোলামণ্ডলম ইনভেষ্টমেণ্ট এণ্ড ফাইনেন্স কোম্পানী লিমিটেড

बैंक ऑफ़ बड़ौदा Bank of Baroda
**গড়আলি শাখা**
**শৰ্মা কমপ্লেক্স, ১ম মহলা, এছ বি আই ই-কৰ্ণাৰৰ ওচৰত, গড়আলি, যোৰহাট, অসম- ৭৮৫০০১, ফোন: ০৩৭৬-২৩২২৪১৩, ইমেইল: jorhat@bankofbaroda.bank.in**

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী**
**পৰিশিষ্ট- IV-A [ৰুল ৬ (২) আৰু ৮ (৬)ৰ অনুবিধি চাওঁক]**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে প্ৰতিভূতি স্বাৰ্থৰ (বলবৎকৰণ) নিয়মাৱলী- ২০০২ৰ নিয়ম ৬(২) আৰু ৮(৬) ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক), বন্ধকদাতা (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰীক্ষিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তি **বেংক অফ বৰোদা,** চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা অধিগ্ৰহণ কৰা হৈছে আৰু নিম্ন উল্লেখিত একাউণ্ট/সমূহৰ দেয় পুনৰ আদায়ৰ বাবে **'যত আছে", "যি আছে"** আৰু **"যেনে আছে"** তেনেই ভিত্তিত বিক্ৰী কৰা হ'ব। ঋণী/সকল/ বন্ধকদাতা / জামিনদাৰ/সকল/ সুৰক্ষিত সম্পদ/সমূহ/দেয়/সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে -

| ক্ৰ. নং. | ঋণী/সকল / জামিনদাৰ/ বন্ধকদাতা/সকলৰ নাম আৰু ঠিকনা | জ্ঞাত দায়বদ্ধতাৰ সৈতে স্থাৱৰ সম্পত্তিৰ বিৱৰণ, যদি আছে | মুঠ দেয় | ই-নিলামৰ তাৰিখ, ই-নিলামৰ সময়, আৰম্ভণিৰ সময়ৰ পৰা শেষ সময়লৈ | ১) সংৰক্ষিত মূল্য ২) আমানত ধন জমা (ইএমডি) ৩) ডাক বৃদ্ধিৰ পৰিমাণ | দখলৰ স্থিতি | সম্পত্তি পৰিদৰ্শনৰ তাৰিখ আৰু সময় |
|---|---|---|---|---|---|---|---|
| ১. | **ঋণী: কাজিৰঙা টি ছেল্‌চ,** স্বত্বাধিকাৰী- জয়ন্ত মাধৱ হাজৰিকা, ঠিকনা- পাখিমাৰী গাঁও, ডাকঘৰ- গটঙা, ভালুকমৰা ৰেলৱে ষ্টেচনৰ ওচৰত, জিলা- যোৰহাট, অসম- ৭৮৫৬১৬ | **শ্ৰী জয়ন্ত মাধৱ হাজৰিকা**'ৰ নামত টেকেলা গাওঁ, ডাকঘৰ - খঙিয়া, জিলা- যোৰহাট- ৭৮৫৬১৬-ত অৱস্থিত দাগ নং ১২৭৩ আৰু পট্টা নং ২৯৯-ৰ অধীনৰ **০বি-৩কে-১৭এল** পৰিমাপৰ এৰিয়াৰ ভূমি আৰু বিল্ডিংৰ সৈতে এখন অসম আৰ্হিৰ বিল্ডিংৰ ন্যায্য বন্ধকী। **চাৰিসীমা:- পূবে:** পথ, **পশ্চিমে:** চেনিৰাম দাসৰ ভূমি, **উত্তৰে:** প্ৰফুল্ল হাজৰিকাৰ ভূমি, **দক্ষিণে:** ভোলা হাজৰিকাৰ ভূমি। | **১৯.১২.২০২৩** তাৰিখলৈ **১৫,৭১,৩৩২.২৭ টকা** (পোন্ধৰ লাখ এসত্তৰ হাজাৰ তিনিশ বত্ৰিছ টকা আৰু সাতাইছ পইচা মাত্ৰ) আৰু অতিৰিক্ত সুত আৰু চাৰ্জেছ | **০৭/১০/২০২৬, বিয়লি ১২.০০ বজাৰ পৰা বিয়লি ১৬.০০ বজাত** | ১) ৮,৩০,০০০.০০ টকা ২) ৮৩,০০০.০০ টকা ৩) ৫,০০০.০০ টকা | কায়িক | ০৫/১০/২০২৬ আৰু ০৬/১০/২০২৬ পুৱা ১০:০০ বজাৰ পৰা বিয়লি ১৬:০০ বজালৈ |

বিক্ৰীৰ বিশদ চৰ্ত আৰু নিয়মাৱলীৰ বাবে, অনুগ্ৰহ কৰি ৱেবছাইট লিংক **https://www.bankofbaroda.bank.in/e-auction** আৰু অনলাইন নিলাম পৰ্টেল **https://baanknet.com** চাওঁক। সম্ভাব্য নিবিদাকাৰীয়ে অনুমোদিত বিষয়াৰ মোবাইল নম্বৰ: **৬৯০১২৭৩৬৬৪**-ত ও যোগাযোগ কৰিব পাৰে।

**তাৰিখ ঃ ১৬-০৯-২০২৬, স্থান ঃ যোৰহাট**
অনুমোদিত বিষয়া, বেংক অফ বৰোদা